জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৪৩/২০২০

## সন্ত্ৰাসবাদমুক্ত অসমৰ দিশত আন এক বৃহৎ খোজ

# মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হাতত অস্ত্ৰ জমা দি মূলসুঁতিলৈ ঘূৰি আহিল ৰাজ্যৰ চাৰিটা উগ্ৰপন্থী সংগঠনৰ ৬৪ গৰাকীকৈ সদস্য

## এতিয়াও আত্মগোপন কৰি থকা উগ্ৰপন্থীসকললৈ মুখ্যমন্ত্ৰীৰ আহ্বান

# “অন্ধকাৰময় সেই জীৱন ত্যাগ কৰি আলোকময় এই জীৱনলৈ উভতি আহক”

**দিছপুৰ, ২১ ডিচেম্বৰ ঃ** সন্ত্ৰাসবাদমুক্ত অসম গঢ়া আৰু ৰাজ্যখনত চিৰস্থায়ী শান্তি প্ৰতিষ্ঠা কৰাৰ দিশত এক বৃহৎ পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বাকৰিত আজি ৰাজ্যৰ চাৰিটা উগ্ৰপন্থী সংগঠনৰ ৬৪ গৰাকীকৈ সদস্যই অস্ত্ৰ সম্বৰণ কৰি মূলসুঁতিলৈ প্ৰত্যাৱৰ্তন কৰে। অসম চৰকাৰৰ গৃহ বিভাগ আৰু অসম আৰক্ষীৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত এক বিশেষ অনুষ্ঠানত আজি সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন)ৰ স্ব-ঘোষিত উপ-মুখ্য সেনাধ্যক্ষ মনোজ ৰাভা ওৰফে দৃষ্টি ৰাজখোৱা, তেওঁৰ পত্নী লীলা ডি মাৰাক তথা বিজয় দাস ওৰফে মণ্টু শইকীয়াৰ লগতে সংগঠনটোৰ ১৮ গৰাকী সদস্য, পিপল্‌ছ ডেম’ক্ৰেটিক কাউন্সিল অব্ কাৰ্বি লংৰি (পি ডি চি কে)ৰ স্ব-ঘোষিত মুখ্য সেনাধ্যক্ষ অ’ন টেৰণ ওৰফে লখন টেৰণ, ইউনাইটেড পিপল্‌ছ ৰিভ’ল্যুশ্যনেৰী ফ্ৰণ্ট (ইউ পি আৰ এফ)ৰ স্ব-ঘোষিত সচিব প্ৰধান লালমিনথাং গুইটে ওৰফে ফ্ৰেংকি তথা স্ব-ঘোষিত প্ৰতিৰক্ষা সচিব চিনখামচেম গুইটে ওৰফে জ্‌ভিকে ধৰি সংগঠনটোৰ ৩২ গৰাকী সদস্য আৰু ডিমাচা নেশ্যনেল লিবাৰেশ্যন আৰ্মি (ডি এন এল এ)ৰ স্ব-ঘোষিত প্ৰচাৰ সচিব ৰিপেঞ্চ গাৰ্লোচা ওৰফে হাদাইচাকে ধৰি ১৩ গৰাকী সদস্যই অস্ত্ৰ-শস্ত্ৰ জমা দি মূলসুঁতিলৈ ঘূৰি আহে।

হিংসাৰ পথ পৰিহাৰ কৰি শান্তিৰ পথ গ্ৰহণ কৰা উগ্ৰপন্থী সদস্যসকলক স্বাভাৱিক জীৱনলৈ স্বাগতম জনাই মুখ্যমন্ত্ৰী সোণোৱালে কয় যে শান্তিৰ অবিহনে প্ৰগতি কেতিয়াও সম্ভৱ নহয়। অন্তৰত ঘৃণা আৰু ভেদভাৱ লৈ কোনেও শান্তিৰে জীয়াই থাকিব নোৱাৰে। নিজৰ জীৱনৰ লগতে, পৰিয়াল, সমাজ, ৰাজ্যখন আৰু দেশক প্ৰগতিৰ পথেৰে আগুৱাই নিবৰ বাবে সেয়ে হিংসাৰ কণ্টকময় পথ এৰি শান্তিৰ সেন্দূৰীয়া পথ আঁকোৱালি ল’বই লাগিব। মূলসুঁতিলৈ ঘূৰি অহা যুৱক-যুৱতীসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰীয়ে কয় যে আমি দেশক ধ্বংস কৰাৰ বাবে নহয়, ন-কৈ গঢ়াৰ বাবেহে যত্নপৰ হ’ব লাগিব। এটা পৰিয়ালৰ মানসিকতাৰে মিলা-প্ৰীতিৰে জীয়াই থাকি বন্ধুত্ব আৰু ভাতৃত্ববোধৰ আদৰ্শৰে ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াত আত্মনিয়োগ কৰিব লাগিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আদৰ্শৰে, 'টীম ইণ্ডিয়া'ৰ মানসিকতাৰে 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত' গঢ়াৰ বাবে আমি সকলোৱে মিলি কাম কৰিব লাগিব।

হিংসাৰ পথে মাথোঁ পতনৰ বতৰাহে কঢ়িয়াই আনে বুলি মন্তব্য কৰি এতিয়াও আত্মগোপন কৰি থকা উগ্ৰপন্থী সদস্যসকলকো অনতিপলমে মূলসঁতিলৈ ঘূৰি আহি ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াৰ অংশীদাৰ হ'বলৈ মুখ্যমন্ত্ৰী সোণোৱালে আহ্বান জনায়। তেওঁ কয় — "অন্ধকাৰময় সেই জীৱন ত্যাগ কৰি আপোনালোক আলোকময় এই জীৱনলৈ উভতি আহক। আমি সকলোৱে মিলি এখন নতুন অসম নিৰ্মাণ কৰিম।"

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ নেতৃত্বত দেশত গঢ়ি উঠা আস্থা আৰু বিশ্বাসৰ বাতাৱৰণৰ বাবে অঞ্চলটোৰ প্ৰায়বোৰ উগ্ৰপন্থী সংগঠনেই শান্তিৰ পথলৈ প্ৰত্যাৱৰ্তন কৰিবলৈ বাধ্য হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মূলসুঁতিলৈ ঘূৰি অহা উগ্ৰপন্থী সদস্যসকলৰ আত্মসংস্থাপনৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ উপৰিও ৰাজ্য চৰকাৰে 'স্বাৱলম্বন' আঁচনিৰ যোগেদি তেওঁলোকক এক মৰ্যাদাপূৰ্ণ জীৱন উপহাৰ দিয়াৰ বাবে কাম কৰি আহিছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন স্ব-নিয়োজন আঁচনিসমূহতো এই যুৱক-যুৱতীসকলক বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে বুলি জানিবলৈ দি আজি অস্ত্ৰ সম্বৰণ কৰা সদস্যসকলকো ইয়াৰ সুযোগ ল'বলৈ তেওঁ আহ্বান জনায়।

বিগত দিনসমূহত অশেষ কষ্ট স্বীকাৰ কৰি আজিৰ এই অস্ত্ৰ সম্বৰণ অনুষ্ঠান সম্ভৱ কৰি তোলাৰ বাবে মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীৰ বিশেষ শাখাৰ মহাপৰিদৰ্শক হীৰেন নাথকে প্ৰমুখ্য কৰি অন্যান্য বিষয়ববীয়াসকল তথা নিৰাপত্তা বাহিনীৰ সদস্যসকলক বিশেষ ধন্যবাদ জ্ঞাপন কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি ৰাজ্যৰ মুখ্য সচিব জিষ্ণু বৰুৱাই কয় যে সেনাবাহিনী, অৰ্ধসামৰিক বাহিনীসমূহ আৰু অসম আৰক্ষীৰ সমন্বিত আৰু ধাৰাবাহিক প্ৰয়াসৰ বাবেই আজি ৰাজ্যখনত সন্ত্ৰাসমূলক কাম-কাজ স্তিমিত হৈ স্বাভাৱিক জীৱন-যাত্ৰা উভতি অহাটো সম্ভৱ হৈ উঠিছে। মুখ্যমন্ত্ৰী সোণোৱালৰ লগতে 'ইউনিফাইড কমাণ্ড'ৰ লগত জড়িত প্ৰতিগৰাকী বিষয়ববীয়াই ইয়াৰ বাবে ধন্যবাদৰ পাত্ৰ বুলি মন্তব্য কৰি মূলসুঁতিলৈ ঘূৰি অহা উগ্ৰপন্থী সদস্যসকলৰ পুনৰ সংস্থাপনৰ বাবে চৰকাৰ তথা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও তেওঁ নিজৰ ভাষণত উল্লেখ কৰে।

অনুষ্ঠানত আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তইও ভাষণ প্ৰদান কৰে। এখন সন্ত্ৰাসবাদমুক্ত অসম গঢ়াৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিগত দিনসমূহত গ্ৰহণ কৰা অক্লান্ত ভূমিকাৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰি তেওঁ কয় যে সকলোৰে ঐক্যবদ্ধ প্ৰচেষ্টাত অচিৰেই বাহিৰত থকা উগ্ৰপন্থীসকলেও হিংসাৰ পথ ত্যাগ কৰিবলৈ বাধ্য হ'ব। উগ্ৰপন্থীসকলক মুলসুঁতিলৈ ঘূৰাই অনাৰ ক্ষেত্ৰত অসম আৰক্ষীৰ বিশেষ শাখাৰ লগতে সেনাবাহিনী, অন্যান্য নিৰাপত্তা বাহিনীসমূহ আৰু কেন্দ্ৰীয় চোৰাংচোৱা বাহিনীসমূহে আগবঢ়াই অহা সহযোগিতাৰো তেওঁ শলাগ লয়।

আজিৰ অনুষ্ঠানৰ আৰম্ভণিতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তৰ পৰামৰ্শত যুগুত কৰা 'শান্তিৰ দিশত আন এক বলিষ্ঠ পদক্ষেপ' শীৰ্ষক এটি বিশেষ ভিডিঅ'ও প্ৰদৰ্শন কৰা হয়।

অসম আৰক্ষীৰ বিশেষ শাখাৰ মহাপৰিদৰ্শক হীৰেণ নাথে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, গৃহ বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মা, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিং, গৃহ বিভাগৰ আয়ুক্ত সচিব জি ডি ত্ৰিপাঠী, সেনাবাহিনীৰ ২১ মাউণ্টেইন ডিভিজনৰ জি অ' চি এছ পি সিং, চি আৰ পি এফৰ নৰ্থ-ইষ্ট জ'নৰ অতিৰিক্ত সঞ্চালকপ্ৰধান সঞ্জীৱ ৰঞ্জন ওজা, এছ আই বিৰ যুটীয়া সঞ্চালক ৰশ্মি সিনহা প্ৰমুখ্যে ভাৰতীয় সেনা, এছ এছ বি, বি এছ এফ, আই টি বি পি আৰু অসম আৰক্ষীৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। অনুষ্ঠানত চাৰিওটা উগ্ৰপন্থী সংগঠনৰ অস্ত্ৰ-সম্বৰণকাৰী সদস্যসকলৰ পৰিয়ালবৰ্গ তথা কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাৰ বহুকেইগৰাকী গাঁওবুঢ়া আৰু বিশিষ্ট নাগৰিকেও অংশগ্ৰহণ কৰে।

**প্ৰঃকুঃবঃ**
**২১/১২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in